**NSD NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date :** 07-11-2025

**Time:** 1205 Hrs

***Assamese Midday Bulletin***

HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় গীত **বন্দে মাতৰম**ৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বছৰজোৰা বিশেষ স্মৃতি চাৰণ অনুষ্ঠানৰ শুভাৰম্ভ কৰে।

২। ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিয়ে **বন্দে মাতৰম**ৰ ডেৰশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে গীতটোক সোঁৱৰণ কৰে।

৩। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আজি দুদিনীয়া অসম ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হয়।

৪। বিহাৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্য্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

*আৰু*

৫। এন এছ ডব্লিউ অ'পেন স্কোৱাছ প্ৰতিযোগিতাত ভাৰতৰ ৰাথিকা চুথানথিৰা চিলনে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় গীত **বন্দে মাতৰম**ৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বছৰজোৰা বিশেষ স্মৃতি চাৰণ অনুষ্ঠানৰ শুভাৰম্ভ কৰে। তেওঁ লগতে এটা স্মাৰক ডাক টিকট আৰু মুদ্ৰাও মুকলি কৰে। শ্ৰীমোদীয়ে জনসাধাৰণে ৰাষ্ট্ৰীয় গীত পৰিৱেশন কৰা ভি ডি অ' আপলোড কৰিব পৰাকৈ vandemataram150.in শীৰ্ষক এটা প'ৰ্টেলো মুকলি কৰে। জনসাধাৰণে এই প'ৰ্টেলত ৰাষ্ট্ৰীয় গীত পৰিৱেশনৰ ভি ডি অ' আপলোড কৰি প্ৰমাণপত্ৰ লাভ কৰিব পাৰিব।

এই উপলক্ষে আজি ৰাষ্ট্ৰীয় ৰাজধানীৰ ইন্দিৰা গান্ধী ইন্দোৰ ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত অংশ লৈ প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে বন্দে মাতৰম হৈছে এটা মন্ত্ৰ, এটা শক্তি,

এটা সপোন তথা এটা সংকল্প। তেওঁ ৰাষ্ট্ৰীয় গীতটোৰ প্ৰশংসা কৰি কয়, যে এই গীতে ভাৰতমাতাৰ প্ৰতি ভক্তি আৰু শ্ৰদ্ধা প্ৰদৰ্শন কৰে, যিয়ে ইতিহাসক সোঁৱৰায়, বৰ্তমানক আত্ম-বিশ্বাসেৰে ভৰাই তোলে আৰু ভৱিষ্যতৰ বাবে নতুন শক্তিৰ সঞ্চাৰ কৰে। তেওঁ সমূহীয়াভাৱে বন্দে মাতৰম পৰিৱেশন কৰাৰ প্ৰশংসা কৰি হৃদয়স্পৰ্শী এই অভিজ্ঞতাক শব্দৰে বৰ্ণনা কৰিব নোৱাৰি বুলি উল্লেখ কৰে। তেওঁ কয়, যে বংকিম চন্দ্ৰ চট্টোপাধ্যায়ে এই গীতটোৰ জৰিয়তে এখন স্বাধীন, একত্ৰিত আৰু সমৃদ্ধিশালী ভাৰতৰ বাবে আহ্বান জনাইছিল।

বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ **আনন্দমঠ** গ্ৰন্থখনৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে গুৰুদেৱ ৰবীন্দ্ৰনাথ ঠাকুৰে এই গ্ৰন্থখনক কেৱল এখন উপন্যাস নহয়, বৰং এয়া এখন স্বাধীন ভাৰতৰ সপোন বুলি উল্লেখ কৰিছিল। উপন্যাসখনৰ প্ৰতিটো শব্দই গভীৰ অৰ্থ বহন কৰে। প্ৰধানমন্ত্ৰীয়ে বন্দে মাতৰম গীতটো প্ৰতিটো যুগতে প্ৰাসংগিক বুলি উল্লেখ কৰে।

আজিৰ অনুষ্ঠানত দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনা, কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্য্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই অংশগ্ৰহণ কৰে। শ্ৰীশেখাৱটে তেওঁৰ ভাষণত কয়, যে বন্দে মাতৰম গীতটোৱে স্বাধীনতা যুজাৰুসকলৰ মনত বিদ্ৰোহৰ ভাৱনা গভীৰ কৰি তুলিছিল, যিসকলে শেষ নিশ্বাস পৰ্য্যন্ত এই গীতটো গাইছিল। তেওঁ কয়, যে তেতিয়াৰ পৰাই স্বাধীনতাৰ দীৰ্ঘ সময়ৰ পাছতো এই গীতে ভাৰতবাসীৰ হৃদয়ত দেশপ্ৰেমৰ ভাৱনা জগাই আহিছে।

দেশৰ বিভিন্ন প্ৰান্তত বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিদ্যালয়, চৰকাৰী প্ৰতিষ্ঠানকে ধৰি সকলো ৰাজহুৱা স্থানত সমাজৰ সকলো শ্ৰেণীৰ লোকে এই গীতটি পৰিৱেশন কৰে।

বংকীম চন্দ্ৰ চট্টোপাধ্যায়ে ১৮৭৫ চনৰ সাত নৱেম্বৰত অক্ষয় নৱমীৰ দিনা বন্দে মাতৰম ৰচনা কৰিছিল। গীতটো প্ৰথমবাৰৰ বাবে তেওঁৰ উপন্যাস আনন্দমঠৰ অংশ হিচাপে বংগদৰ্শন নামৰ সাহিত্যিক পত্ৰিকাত প্ৰকাশ পাইছিল।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে **বন্দে মাতৰম**ৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে গীতটোক সোঁৱৰণ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে বৃটিছ শাসনৰ বিৰুদ্ধে ১৯০৫ চনৰ স্বদেশী আন্দোলনৰ সময়ত এই গীতটোৱে সকলোৱে মাজত

দেশপ্ৰেমৰ ভাৱনা অধিক প্ৰবল কৰি তুলিছিল। সেই তেতিয়াৰ পৰাই এই গীতে দেশবাসীক আবেগিকভাৱে একতাৰ ডোলেৰে বান্ধি ৰাখিছে আৰু ভৱিষ্যতলৈও বান্ধি ৰাখিব বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে। তেওঁ জনসাধাৰণক আজিৰ দিনটোত দেশমাতৃক সমৃদ্ধিশালী আৰু শান্তিপূৰ্ণ কৰি ৰখাৰ সংকল্প ল'বলৈ আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণেও বন্দে মাতৰমৰ ডেৰশ বছৰীয়া বৰ্ষপূৰ্তিত গীতটো সোঁৱৰে। এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণণে এই গীতে জাতীয়তাবোধ জগাই তুলি প্ৰতিটো প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে বুলি মন্তব্য কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয়, যে ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলো লোকক একত্ৰিত কৰাত এই গীতে এটা শক্তিশালী মাধ্যম হিচাপে কাম কৰিছিল। বন্দে মাতৰম গীতটিত থকা প্ৰতিটো শব্দই দেশৰ প্ৰতিগৰাকী নাগৰিকক অনুপ্ৰাণিত কৰি দেশপ্ৰেমৰ ভাৱনা জগাই তুলিব আৰু এখন সমৃদ্ধিশালী ভাৰত নিৰ্মাণত সমৰ্পিত মনোভাৱেৰে কাম কৰিবলৈ উৎসাহিত কৰিব বুলি শ্ৰীৰাধাকৃষ্ণণে আশা প্ৰকাশ কৰে।০০০০০০

০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আজি দুদিনীয়া অসম ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হয়। বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত মুখ্যমন্ত্ৰী ডo হিমন্ত বিশ্ব শৰ্মা আৰু বিত্ত মন্ত্ৰী অজন্তা নেওগে তেওঁক আদৰণি জনায়।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিমান বন্দৰৰ পৰা পোনে পোনে জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শনৰ বাবে ৰাওনা হয়। বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰকল্পস্থলীত আয়োজিত এটা অনুষ্ঠানত প্ৰায় ৩০০ গৰাকী যুৱক-যুৱতীৰ সৈতে মত বিনিময় কৰিব। উল্লেখযোগ্য যে, অহা বছৰৰ ফেব্ৰুৱাৰীত এই প্ৰকল্পটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। প্ৰকল্পটোৱে ৰাজ্যখন অসমৰ অৰ্থনৈতিক বিকাশৰ দিশত নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

শ্ৰীমতী সীতাৰমণে ইয়াৰ পাছত সন্ধিয়াৰ ভাগত গুৱাহাটীৰ উজান বজাৰত ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্টৰ সতী ৰাধিকা শান্তি উদ্যান আৰু পাণবজাৰৰ গে'টৱে অৱ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি উদ্বোধন কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু পৰিবহণ মন্ত্ৰী চৰণ বড়ো উপস্থিত থাকিব।

০০০০০০০

এন ডি এ আৰু মহা মিত্ৰজোটৰ তাৰকা প্ৰচাৰক আৰু জ্যেষ্ঠ নেতাসকলকে ধৰি অন্যান্য দলৰ নেতাসকলেও ভোটদাতাক আকৰ্ষিত কৰাৰ চেষ্টা চলাইছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঔৰংগাবাদ আৰু কাইমুৰ জিলাত দুখন প্ৰচাৰ সভাত অংশ ল'ব। ইপিনে, জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে জামুইত এখন প্ৰচাৰ সভাত অংশ লয়। তেওঁ আজি পূৰ্ণিয়াত এন ডি এ প্ৰাৰ্থীৰ সমৰ্থনত এটা ৰ'ড শ্বোত অংশ ল'ব। কেন্দ্ৰীয় মন্ত্ৰী তথা আৰ পি আইৰ নেতা ৰামদাস আঠাৱালেই এন ডি এ প্ৰাৰ্থীৰ সমৰ্থনত জামুই আৰু গয়াত নিৰ্বাচনী প্ৰচাৰ চলাব।

কংগ্ৰেছ দলৰ হৈ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে ভগলপুৰ আৰু বাংকাত প্ৰচাৰ চলোৱাৰ লগতে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই গয়া আৰু ৰোহতাছত নিৰ্বাচনী সভাত অংশ ল'ব। মহাজোট বন্ধনৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী তেজস্বী প্ৰসাদ যাদৱে পূৰ্ণিয়া, আৰাৰিয়া, ভগলপুৰ আৰু বাংকাত ১৮ খন প্ৰচাৰ সভাত অংশ ল'ব।

পাটনাৰ কংগ্ৰেৰ সাংসদ প্ৰমোদ তিৱাৰীয়ে আজি সাংবাদিকৰ আগত কয়, যে এইবাৰৰ নিৰ্বাচনত বিহাৰ ৰাজনৈতিক বিপ্লৱৰ সাক্ষী হৈছে। ইপিনে, এল জে পি আৰৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী চিৰাগ পাছোৱানে এন ডি এৰ দ্বৈত ইঞ্জিন চৰকাৰৰ ওপৰত বিহাৰৰ জনসাধাৰণৰ প্ৰৱল আস্থা আছে বুলি উল্লেখ কৰিছে।

ৰাজ্যখনত অহা ১১ নবেম্বৰত ২০ খন জিলাৰ ১২২ টা সমষ্টিৰ বাবে দ্বিতীয় তথা অন্তিম পৰ্য্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ১৪ নবেম্বৰত ভোট গণনা কৰা হ'ব।০০০০০০

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এলানি কাৰ্য্যসূচীৰে আজি সন্ধিয়া বাৰাণসীলৈ ৰাওনা হ'ব। উত্তৰ প্ৰদেশৰ ৰাজ্যপাল আনন্দীবেন পেটেল আৰু মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে তেওঁক বিমান বন্দৰত আদৰণি জনাব। শ্ৰীমোদীয়ে কাইলৈ পুৱা বাৰাণসী-খজুৰাহো বন্দে ভাৰত ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। তেওঁ লগতে  ভাৰ্চুৱেল ব্যৱস্থাৰে লক্ষ্ণৌ-চাহাৰাণপুৰ, ফিৰোজপুৰ-দিল্লী আৰু আৰ্ণাকুলাম-বেংগালুৰু বন্দে ভাৰত ৰে'ল সেৱা মুকলি কৰিব।

০০০০০০০

জম্মু-কাশ্মীৰৰ সীমান্ত সুৰক্ষা বাহিনীৰ মুখ্য কাৰ্য্যালয়ে আজিৰে পৰা দুদিনীয়া কাৰ্য্যসূচীৰে মাৰাথন প্ৰদৰ্শনীৰ আয়োজন কৰিছে। এই প্ৰদৰ্শনী দুপৰীয়া ১২ বজাত আৰম্ভ হৈছে আৰু সন্ধিয়া ৫ বজাত অন্ত পৰিব। এই প্ৰদৰ্শনী হৈছে অহা দেওবাৰে জম্মুৰ পালৱাৰাৰ

শ্বহীদ বীৰদেৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া বহু প্ৰত্যাশিত জম্মু-সীমান্ত সুৰক্ষা বাহিনীৰ মাৰাথন-২০২৫ আয়োজনৰ অংশ। ইয়াৰ উদ্দেশ্য হৈছে, এই বিশাল মাৰাথনৰ পূৰ্বে জনসাধাৰণৰ মাজত দেশভক্তিৰ ভাৱনা জগাই তোলাৰ লগতে প্ৰতিযোগী, ক্ৰীড়া ব্ৰেণ্ড আৰু সুস্বাস্থ্যৰ বাবে উৎসাহীসকলক একত্ৰিত কৰা।

সকলো প্ৰতিযোগীয়ে এই প্ৰদৰ্শনীৰ সময়ছোৱাত নিজৰ নিজৰ পঞ্জীয়ন নম্বৰ আৰু টি-চাৰ্ট সংগ্ৰহ কৰিব লাগিব।

বলীউদৰ অভিনেতা সুনীল চেট্টীয়ে সকলোকে এই মাৰাথনত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।০০০০০০

০০০০০০০

চিডনীত অনুষ্ঠিত এন এছ ডব্লিউ অ'পেন স্কোৱাছ প্ৰতিযোগিতাত ভাৰতৰ ৰাথিকা চুথানথিৰা চিলনে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। কোৱাৰ্টাৰ ফাইনেলত চেন্নাইৰ ২৪ বছৰীয়া খেলুৱৈগৰাকীয়ে চিডনীৰ কাৰেন ব্লুমক ২২ মিনিটত ১১-৮, ১১-৭, ১১-৪ পোনপটীয়া ছেটত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০০০

সমাপ্ত